12

G–DTN–M–BTTA

# ASSAMESE

## Paper—I

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

**Important Note**

**Whenever a question is being attempted, all its parts/sub-parts must be attempted contiguously. This means that before moving on to the next question to be attempted, candidates must finish attempting all parts/sub-parts of the previous question attempted. This is to be strictly followed.**

**Pages left blank in the answer-book are to be clearly struck out in ink. Any answers that follow pages left blank may not be given credit.**

## SECTION—A

**1.** তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 12×5=60

*(a)* মধ্য-ভাৰতীয় আৰ্য ভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? সময় উল্লেখ কৰি প্ৰতিটো স্তৰৰ ভাষাগত বৈশিষ্ট্যলৈ আঙুলিয়াই এটি আলোচনা যুগুত কৰাঁ।

*(b)* "সংস্কৃত বৰ্ণমালাৰ আৰ্হিত অসমীয়া বৰ্ণমালা প্ৰস্তুত কৰা হৈছে যদিও অসমীয়াত সংস্কৃতৰ আটাইবোৰ বৰ্ণ উচ্চাৰিত নহয়।" এই উক্তিৰ ভিত্তিত সংস্কৃত আৰু অসমীয়া বৰ্ণমালাৰ এক তুলনামূলক আলোচনা কৰাঁ।

*(c)* শ্বাসাঘাত বুলিলে কি বুজা? মান্য অসমীয়া আৰু কামৰূপী উপভাষাত শ্বাসাঘাতৰ স্থান নিৰ্ণয় কৰি শ্বাসাঘাতৰ কাৰণে মান্য অসমীয়াৰ শব্দবোৰে কামৰূপী উপভাষাত কেনেধৰণৰ ৰূপ লয়, দেখুওৱাঁ।

*(d)* উপভাষা আৰু মান্য ভাষা সৃষ্টিৰ কাৰণসমূহ ব্যাখ্যা কৰি এটা উপভাষা কি কি কাৰণত মান্য ভাষালৈ ৰূপান্তৰ হয়, লিখাঁ।

*(e)* অসমীয়া গদ্য-সাহিত্যৰ বিকাশত ভট্টদেৱৰ গদ্যৰ গুৰুত্ব বিচাৰ কৰি এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ।

**2.** *(a)* স্বাৰ্থিক প্ৰত্যয়বোৰৰ নিজা অৰ্থ আছেনে? নামপদ আৰু ক্ৰিয়াপদৰ পাছত যোগ হৈ সেইবোৰে কেনেধৰণৰ অৰ্থ প্ৰকাশ কৰে, আলোচনা কৰাঁ। 30

*(b)* অসমীয়া ভাষাত ক্ৰিয়াৰ কাল কেইটা আৰু কি কি? 'কৰ্' আৰু 'খা' ধাতু দুটা কাল, ভাব আৰু পুৰুষ অনুযায়ী ৰূপ কৰি দেখুওৱাঁ। 30

3. (a) প্ৰাচীন অসমীয়া লিপিৰ ইতিহাস দাঙি ধৰাঁ। 30

(b) কি কি আৰ্য-ভিন্ন ভাষাৰ শব্দই অসমীয়া শব্দ ভাণ্ডাৰ চহকী কৰিছে, সেই বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। 30

4. (a) 'অৰুণোদয়'ৰ গদ্যৰীতি সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰাঁ। 30

(b) 'গুৰু-চৰিত-কথা'ৰ গদ্যৰ ভাষা সম্পৰ্কে আলোচনা কৰাঁ। 30

## SECTION—B

5. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : $12\times5=60$

(a) আধুনিক অসমীয়া কবিতা—এই শীৰ্ষক এটি চমু নিবন্ধ প্ৰস্তুত কৰাঁ।

(b) চুটিগল্পৰ বিষয়বস্তু, কলাকৌশল আৰু আঙ্গিক সম্পৰ্কে আলোচনা কৰাঁ।

(c) শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে এটি পৰিচয়মূলক প্ৰবন্ধ যুগুত কৰাঁ।

(d) প্ৰাক্-যুদ্ধকালীন অসমীয়া উপন্যাসৰ বিষয়ে এটি নিবন্ধ যুগুত কৰাঁ।

(e) বেজবৰুৱাৰ নাট্য-সাহিত্যৰ ঘাই লক্ষণসমূহ আলোচনা কৰাঁ।

**6.** *(a)* প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ আধাৰ গ্ৰন্থ কি কি? এই যুগৰ সাহিত্যৰ এটি চমু পৰিচয় দিয়াঁ। 30

*(b)* চযাগীতবোৰ কোনে, কেতিয়া আৰু ক'ৰ পৰা উদ্ধাৰ কৰে? এই গীতবোৰৰ ৰচক কোন? চৰ্যাগীত ৰচনাৰ সময় উল্লেখ কৰি ইয়াৰ বিষয়বস্তুৰ এটি চমু আভাস দিয়াঁ। 30

**7.** *(a)* বিষয়বস্তু অনুযায়ী অসমীয়া উপন্যাসক কেইটা আৰু কি কি শ্ৰেণীত ভগাব পাৰি? তাৰে যি কোনো এটা শ্ৰেণীৰ উপন্যাসৰ বিষয়ে বহলাই লিখাঁ। 30

*(b)* যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ বিষয়বস্তু আৰু আঙ্গিক সম্পৰ্কে আলোচনা কৰাঁ। 30

**8.** *(a)* কাহিনী, চৰিত্ৰ আৰু সংলাপ—এইকেইটাৰ কোনটো উপাদান নাটকৰ কাৰণে অধিক প্ৰয়োজনীয় বুলি ভাবা, আলোচনা কৰাঁ। নাটক এখনৰ ভাল-বেয়া বিচাৰ কৰোঁতে কি কি দিশলৈ চকু দিয়া উচিত, সেই বিষয়েও আলোচনা কৰিবাঁ। 30

*(b)* চমু টোকা লিখাঁ : 6×5=30

মাধৱদেৱ; গুণাভিৰাম বৰুৱা; চন্দ্ৰকুমাৰ আগৰৱালা; জোনাকী; জীৱনৰ বাটত।

★ ★ ★